G.L. CHOUDHURY COLLEGE · M.L.C. LIBRARY · ACC NO.

**2023**

ASSAMESE

( Honours Core )

Paper : ASM–HC–3036

**( Culture of Assam )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) সংস্কৃতিৰ উপাদান এটাৰ নাম লিখা।

(খ) 'অসমীয়া লোকসংস্কৃতিৰ আভাস' নামৰ গ্ৰন্থখনৰ ৰচক কোন?

(গ) অসমত বসবাস কৰা মংগোলীয় প্ৰজাতিৰ এটি জনগোষ্ঠীৰ নাম লিখা।

(ঘ) ৱাংগালা কোন জনগোষ্ঠীৰ নৃত্য?

(ঙ) 'দৈয়ন দিয়া' কোনটো অনুষ্ঠানৰ লগত জড়িত লোকাচাৰ?





(চ) কাতি বিহুৰ লগত জড়িত এটি কৃষিভিত্তিক লোকবিশ্বাস উল্লেখ কৰা।

(ছ) গোৱালপাৰা অঞ্চলত প্ৰচলিত এটি লোকনাট্যানুষ্ঠানৰ নাম লিখা।

(জ) অসমৰ লোকসমাজত শিশুসকলে খেলা এবিধ খেলৰ নাম লিখা।

(ঝ) আহোম যুগত নিৰ্মিত এখন শিলৰ সাঁকোৰ নাম লিখা।

(ঞ) 'লতা-কটা' পুথি বুলিলে কোনখন পুথিক বুজা যায়?

২। চমু উত্তৰ লিখা : ২×৫=১০

(ক) সংস্কৃতিৰ দুটা বৈশিষ্ট্য লিখা।

(খ) উত্তৰ-পূব ভাৰতৰ দুটা মাতৃকেন্দ্ৰিক জনগোষ্ঠীৰ নাম লিখা।

(গ) অসমৰ লোকসমাজত পালন কৰা জন্ম-সম্পৰ্কীয় দুটা লোকাচাৰ উল্লেখ কৰা।

(ঘ) আহোম যুগৰ দুটা ভাস্কৰ্য উল্লেখ কৰা।

(ঙ) প্ৰচিন অসমত প্ৰচলিত চৰাইৰ দ্বাৰা খেলোৱা দুটা খেলৰ নাম লিখা।

৩। তলত দিয়া যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) অসমীয়া সংস্কৃতিলৈ মুছলমানসকলৰ অৱদানৰ বিষয়ে চমুকৈ লিখা।





(খ) অসমৰ কাৰ্বি অথবা চাহ জনগোষ্ঠীৰ সংস্কৃতি সম্পৰ্কে আলোচনা কৰা।

(গ) অসমৰ লোকচিকিৎসা সম্পৰ্কে আলোচনা কৰা।

(ঘ) অসমত প্ৰচলিত শৈৱ ধৰ্ম-ধাৰা সম্পৰ্কে চমুকৈ লিখা।

(ঙ) অসমৰ চিত্ৰকলাৰ প্ৰাচীনত্বৰ বিষয়ে লিখি পুথিচিত্ৰসমূহৰ আলোচনা কৰা।

(চ) অসমীয়া সংস্কৃতিত শৰাই আৰু গামোচাৰ স্থান সম্পৰ্কে লিখা।

৪। তলত দিয়া যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) সংস্কৃতিক কি কাৰণে সামাজিক আচৰণৰ সমষ্টি বুলি কোৱা হয়, বিচাৰ কৰা।

(খ) লোকসংস্কৃতিৰ সংজ্ঞা দাঙি ধৰি ইয়াৰ প্ৰধান ভাগসমূহৰ বিষয়ে এটি আলোচনা যুগুত কৰা।

(গ) লোকাচাৰ বুলিলে কি বুজা? অসমীয়া সমাজত প্ৰচলিত বিবাহকেন্দ্ৰিক লোকাচাৰৰ বিষয়ে এটি আলোচনা যুগুত কৰা।

(ঘ) বিহু উৎসৱৰ লগত কৃষি-সম্পৰ্কীয় কেনেধৰণৰ লোকবিশ্বাসৰ প্ৰচলন আছে, বহলাই আলোচনা কৰা।

(ঙ) "আহোমসকলে অসমীয়া জাতি গঠনত আৰু অসমীয়া সাংস্কৃতিক জীৱনত অভূতপূৰ্ব বৰঙণি আগবঢ়ালে।" এই কথাষাৰিৰ আধাৰত অসমীয়া জাতি-গঠন প্ৰক্ৰিয়াত আহোমসকলৰ অৱদান সম্পৰ্কে বহলাই লিখা।





(চ) নামঘৰ, সত্ৰসমূহে অসমৰ সংস্কৃতিক সমন্বয়ৰ সংস্কৃতিৰূপে গঢ় দিয়াত কেনেধৰণৰ ভূমিকা পালন কৰি আহিছে, উদাহৰণসহ আলোচনা কৰা।

(ছ) প্ৰচিন অসমৰ স্থাপত্য-ভাস্কৰ্য সম্পৰ্কত এটি আলোচনা প্ৰস্তুত কৰা।

(জ) অসমৰ যি কোনো দুবিধ পৰিৱেশ্য কলাৰ বিষয়ে লিখি এটি নাতিদীৰ্ঘ নিবন্ধ যুগুত কৰা।

★★★